**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-03-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্য চৰকাৰে সকলো লোককে সামৰি লোৱা প্ৰতিশ্ৰুতিবদ্ধতাৰ অংশ হিচাপে গুৱাহাটীত তৃতীয় লিংগৰ লোকৰ বাবে এটা আশ্ৰয় গৃহ নিৰ্মাণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি টুইটাৰযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে গুৱাহাটীত তৃতীয় লিংগৰ লোকৰ বাবে এটা সুকীয়া আশ্ৰয় গৃহ নিৰ্মাণ কৰিব, যাতে তেওঁলোকে নিৰাপদ স্থান লাভ কৰিব পাৰে।

০০০০০০০০০

ৰাজ্যত ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কৃষি বিভাগৰ জৰিয়তে ১৭ হাজাৰ ৩৫৬ খন টেক্টৰ আৰু ৩ হাজাৰ ৩১৮ খন পাৱাৰটিলাৰ প্ৰদান কৰা হৈছে। বিধানসভাত আজি কৃষি মন্ত্ৰী অতুল বৰাই এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে কৃষি বিভাগৰ বিষয়াসকলে কৃষি কাৰ্যৰ বাবে প্ৰদান কৰা টেক্টৰ অন্য কামত ব্যৱহাৰ কৰাৰ বিষয়টো নজৰ ৰাখি আছে। তেওঁ লগতে সমষ্টিভিত্তিক সমসংখ্যক টেক্টৰ বিতৰণৰ কোনো পৰিকল্পনা নাই বুলি স্পষ্ট কৰি দিয়ে। শ্ৰী বৰাই মাপকাঠি পূৰণ হ'লেহে টেক্টৰ লাভৰ আবেদনত অনুমোদন জনোৱা হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

সমাগত ৰঙৰ উৎসৱ ফাকুৱাৰ বাবে ৰাজ্যজুৰি ব্যাপক আয়োজন চলিছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বৰপেটা সত্ৰত কাইলৈৰ পৰা চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। কাইলৈ গোন্ধ যাত্ৰা, ১৪ আৰু ১৫ মাৰ্চত ভৰ দৌল আৰু ১৬ মাৰ্চত সত্ৰ চৌহদত সুঁৱেৰি বা ফাকুৱা উদযাপন কৰা হ'ব।

কামৰূপ জিলা শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। উৎসৱৰ লগত সংগতি ৰাখি পৰহিলৈ হোলী গীত প্ৰতিযোগিতা আৰু ১৫ মাৰ্চত বাঁহ বগোৱা, বাঁহ ভঙা, টেকেলী ভঙা আদি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

উত্তৰ গুৱাহাটীৰ শ্ৰী শ্ৰী দৌলগোবিন্দ মন্দিৰত কাইলৈৰ পৰা ৫ দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানত কাইলৈৰ পৰা দৌল উৎসৱ উদযাপনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। থান পৰিচালনা সমিতিয়ে ১৪ খন উপ-সমিতি গঠন কৰি এই উৎসৱ পৰিচালনাৰ বাবে সাজু হৈছে। উৎসৱৰ প্ৰথম দিনা গন্ধোৎসৱ, ১৪ মাৰ্চত গোসাঁই শিৰত ফাকু দিয়া উৎসৱ আৰু ১৫ মাৰ্চত গোসাঁই ফুৰুৱা কাৰ্যসূচী অনুষ্ঠিত হ'ব। বজালী জিলাৰ ইতিহাস প্ৰসিদ্ধ গোবিন্দপুৰ সত্ৰ প্ৰাংগণত পৰহিলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপন কৰা হ'ব। এই উপলক্ষে কাইলৈ সন্ধিয়া নাম প্ৰসংগ, মেষদাহ আদি সম্পন্ন হ'ব। ১৪ মাৰ্চত দৌল পূজা, ১৫ মাৰ্চত দৌল গোবিন্দৰ পূজা অৰ্চনা আৰু ১৬ মাৰ্চত সুঁৱেৰি উৎসৱ উদযাপন কৰা হ'ব।

দৌল উৎসৱৰ লগত সংগতি ৰাখি ধেমাজিৰ মদাৰগুৰি কলিতাগাঁৱৰ ৰাইজৰ সহযোগত পৰহিলৈৰ পৰা ২১ মাৰ্চলৈ সপ্তাহজোৰা কাৰ্যসূচীৰে সদৌ অসম ভাওনা সমাৰোহ আৰু প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০০

কৰ্ম সংস্থাপনৰ সন্ধানত ম্যানমাৰলৈ গৈ চাইবাৰ অপৰাধী চক্ৰত সোমাই পৰা অসমৰ ৫ জন যুৱকক ধৰি দেশৰ ২৮৩ জন ব্যক্তিক ম্যানমাৰত থকা ভাৰতীয় দূতাবাসে কালি উদ্ধাৰ কৰে। বায়ুসেনাৰ বিমানেৰে ম্যানমাৰৰ ম্যাৱাদ্দিৰ পৰা থাইলেণ্ড হৈ নতুন দিল্লীলৈ অহা দলটোত ১৭ গৰাকী মহিলাও আছে। নতুন দিল্লীৰ অসম ভৱনৰ অসম আৰক্ষীয়ে ৰাজ্যখনৰ যুৱক ৫ জনক জিম্মাত ৰাখিছে। আৰক্ষীৰ প্ৰাৰম্ভিক অনুসন্ধানত অধিক দৰমহাৰ প্ৰলোভনত ম্যানমাৰলৈ গৈ চাইবাৰ চক্ৰৰ সৈতে যুৱককেইজন জড়িত হৈ পৰিছিল বুলি সন্দেহ কৰা হৈছে যদিও এই সন্দৰ্ভত তদন্ত অব্যাহত ৰখা হৈছে। ভাৰতীয়

দূতাবাসে উদ্ধাৰ কৰা দলটোত অসমৰ উপৰি পশ্চিমবংগ, অন্ধ্ৰ প্ৰদেশ, তেলেংগানা, গুজৰাট আৰু উত্তৰ প্ৰদেশৰ যুৱক-যুৱতী থকা বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০০

দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি জিলা আয়ুক্ত আৰু সমজিলা আয়ুক্তসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জনকল্যাণ আৰু শাসন ব্যৱস্থাৰ উন্নয়নৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ পৰ্যালোচনা কৰা হয়। বৈঠকত চাহ বাগিচা অঞ্চলৰ গৰ্ভৱতী মহিলা মজুৰীৰ ক্ষতিপূৰণ প্ৰদানকে ধৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ সম্পৰ্কীয় বিভিন্ন আঁচনি, অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় সুশৃংখলিতভাৱে ৰূপায়ণ, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নতুন জি অ' টেগিং ব্যৱস্থাৰ দ্ৰুতকৰণ, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, মিছন বসুন্ধৰা, ৫ লাখ গামোচা বিতৰণৰ দৰে অভিলাসী আঁচনিসমূহৰ ৰূপায়ণৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। তদুপৰি ইউ উইন মঞ্চ আৰু যক্ষ্মা নিৰ্মূলৰ প্ৰচেষ্টাৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক উন্নত সেৱা আগবঢ়োৱাৰ বাবে সমজিলাসমূহৰ সৰলীকৰণ আৰু সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত জিলা আয়ুক্তসকলৰ সৈতে আলোচনা কৰে। দ্বিতীয় এডভাণ্টেজ আছামৰ সফল সামৰণি আৰু ৰাজ্যৰ সাধাৰণ বাজেট উত্থাপনৰ পাছত জিলা আয়ুক্তসকলৰ সৈতে এই বৈঠকে নিশ্চিতভাৱে চৰকাৰখনৰ পৰিকল্পনাক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত সহায় কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০০০

লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ উত্তৰ-পূব সীমান্ত ৰে'লৰে ক্ৰীড়া সন্থা নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে কালি গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত শ্বিলং লাজং ফুটবল ক্লাবক ১-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত গ্ৰন্থাগাৰ সহায়ক অনুপম দাসৰ যোৱা পুৱতি নিশা হৃদৰোগজনিত কাৰণত ধাৰাপুৰৰ নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬০ বছৰ। প্ৰায় ৩৯ বছৰ আকাশবাণীত চাকৰি কৰি তেওঁ যোৱা ২৮ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ আকাশবাণীৰ বাতৰি বিভাগতো কৰ্মৰত আছিল।

০০০০০০০০০

**সমাপ্ত**